**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-JAN-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১।	দুদিনীয়া ভ্ৰমণসূচীৰে কাইলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম আগমন। প্ৰধানমন্ত্ৰীৰ উপস্থিতিত সৰুসজাইত প্ৰায় ১০ হাজাৰ শিল্পীৰ বাগৰুম্বা নৃত্যৰ অনুষ্ঠান।

২।	পলাশবাৰী আৰু কমলপুৰ বিধানসভা সমষ্টিত আজি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণৰ কাৰ্যসূচী।

৩।	অসমৰ তিনিটা প্ৰকল্পক বিশ্ব বেংকৰ অনুমোদন।

৪।	৭৭ সংখ্যক গণৰাজ্য দিৱসৰ কুচকাৱাজত অসমৰ প্ৰতীক পথত ধুবুৰীৰ পোৰা মাটিৰ শিল্প প্ৰদৰ্শনৰ প্ৰস্তুতি।

**আৰু**

৫।	আই চি চি ১৯ বছৰ অনুৰ্ধ পুৰুষ ক্ৰিকেট বিশ্বকাপৰ উদ্বোধনী খেলত আমেৰিকাৰ বিৰুদ্ধে ভাৰতৰ জয়লাভ।

000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। বিয়লি প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীত প্ৰায় ১০ হাজাৰ শিল্পীয়ে পৰিৱেশন কৰিবলগীয়া বাগৰুম্বা নৃত্য উপভোগ কৰিব। এই অনুষ্ঠানৰ বাবে যাৱতীয় প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। বিভিন্ন ঠাইৰ পৰা ইতিমধ্যে এই নৃত্য পৰিৱেশন কৰিবলগীয়া শিল্পীসকল গুৱাহাটীত আহি উপস্থিত হৈছে। সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাই কালি বাগৰুম্বা নৃত্যৰ আখৰা পৰিদৰ্শন কৰে। অসমৰ চহকী ঐতিহ্য বড়োসকলৰ বাগৰুম্বা নৃত্যৰ বিশ্বজুৰি প্ৰসাৰৰ অৰ্থে এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়েও কালি আবেলি সৰুসজাইত উপস্থিত হৈ বাগৰুম্বা নৃত্যৰ আখৰাৰ লগতে সামগ্ৰিক পৰিস্থিতিৰ বুজ লয়। এই অনুষ্ঠানৰ প্ৰস্তুতি সন্দৰ্ভত সবিশেষ জনাইছে আমাৰ গুৱাহাটীৰ সংবাদদাতা হেমন্ত বৰাই–

***(বাইট ঃ হেমন্ত বৰা)***

বাগৰুম্বা দ'হৌ অনুষ্ঠানৰ পৰিপ্ৰেক্ষিতত বিটিচিত নতুনকৈ নিযুক্তি লাভ কৰা শিক্ষকসকলৰ কাইলৈ হ'বলগীয়া নথি পৰীক্ষাৰ দিন পিছুৱাই দিয়া হৈছে।

প্ৰধানমন্ত্ৰী মোদীয়ে পৰহিলৈ কলিয়াবৰৰ মৌচন্দা পথাৰত এখন ৰাজহুৱা সভাত অংশ ল'ব আৰু এই সভাতে কলিয়াবৰৰ পৰা বোকাখাতলৈ ছহেজাৰ ৯৫৭ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া কাজিৰঙা এলিভেটেড কৰিড'ৰৰ আধাৰশিলা স্থাপন কৰিব। মন্ত্ৰী পীযূষ হাজৰিকা, কেশৱ মহন্ত, সাংসদ কামাখ্যা প্ৰসাদ তাছা আৰু অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিঙে কালি প্ৰধানমন্ত্ৰীয়ে অংশ ল'বলগীয়া জনসভাস্থলী পৰিদৰ্শন কৰি কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। ***(বাইট ঃ পীযূষ হাজৰিকা)***

প্ৰধানমন্ত্ৰী মোদীয়ে এই ভ্ৰমণৰ সময়তে ডিব্ৰুগড়ৰ পৰা লক্ষ্ণৌৰ গোমটিলৈ আৰু গুৱাহাটীৰ পৰা নতুন দিল্লীৰ ৰাউটালৈ চলিবলগীয়া দুখন ৰে’লগাড়ীৰ যাত্ৰাৰো শুভাৰম্ভ কৰিব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পশ্চিমবংগৰ হাওৰা আৰু অসমৰ কামাখ্যা সংযোগী নতুন বন্দে ভাৰত শ্লীপাৰ এক্সপ্ৰেছ্ ৰে’লগাড়ীৰ যাত্ৰাৰ কাইলৈ শুভাৰম্ভ কৰিব। এই ৰে’লগাড়ীখন হৈছে দেশৰ প্ৰথমখন বন্দে ভাৰত শ্লিপাৰ ৰে’ল। ১৬টা দবা বিশিষ্ট ৰে’লগাড়ীখনত ৮৩৩ গৰাকী যাত্ৰীয়ে যাত্ৰা কৰিব পাৰিব। ইয়াৰ ফলত যোগাযোগ ব্যৱস্থা উন্নত হোৱাৰ লগতে কামৰূপ মহানগৰ, বঙাইগাঁও আৰু কোচবিহাৰৰ দৰে অঞ্চলসমূহত বাণিজ্য, পৰ্যটন আৰু সামাজিক-অৰ্থনৈতিক বিকাশত সহায় হ’ব।

০০০০০০

কামৰূপ জিলাৰ পলাশবাৰী আৰু কমলপুৰ বিধানসভা সমষ্টিৰ আত্মসহায়ক গোটৰ সদস্যাসকলৰ মাজত আজি মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ অধীনত ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰা হ’ব। পলাশবাৰী আৰ বি উচ্চতৰ মাধ্যমিক বিদ্যালয় খেল পথাৰত দিনৰ চাৰে ১১ বজাত আয়োজিত কাৰ্যসূচীত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই পলাশবাৰী সমষ্টিৰ ৩৬ হাজাৰ ৫১ গৰাকী মহিলাক উদ্যমিতা পুঁজিৰ চেক বিতৰণ কৰিব। তেওঁ লগতে বিহদিয়া জাজিকোণা আঞ্চলিক ৰাস উদযাপন থলীত আয়োজিত অনুষ্ঠানত কমলপুৰ সমষ্টিৰ ৩২ হাজাৰ ৮০৪ গৰাকী মহিলাক প্ৰাৰম্ভিক মূলধনৰ চেক প্ৰদান কৰিব।

০০০০০০

বিশ্ব বেংকে ৰাজ্যৰ প্ৰশাসন ব্যৱস্থাৰ উন্নয়ন, সকলো বতৰৰ অনুকূল আন্তঃগাঁথনি নিৰ্মাণ আৰু সেৱা প্ৰদান প্ৰক্ৰিয়া সুচল কৰি তোলাৰ লগতে ৪০ লাখ শিক্ষাৰ্থীৰ দক্ষতা বিকাশৰ উদ্দেশ্যে তিনিটা প্ৰকল্পত অনুমোদন জনাইছে। ভাৰতৰ বাবে থকা বিশ্ব বেংকৰ কাৰ্যবাহী সঞ্চালক প’ল প্ৰছিয়ে প্ৰকাশ কৰা মতে ৩৫ কোটি ডলাৰেৰে ৰূপায়ণ কৰিবলগীয়া অসম দুৰ্যোগ অনুকূল পথ উন্নয়ন প্ৰকল্পই বিশেষকৈ পাহাৰীয়া ঠাইসমূহত সকলো বতৰৰ বাবে অনুকূল পথ নিৰ্মাণত সহায় কৰিব আৰু জনজাতীয় তথা গ্ৰামাঞ্চলৰ যাত্ৰীসকলৰ যাত্ৰাৰ সময় ৰাহি কৰাত সহায় কৰিব। এই প্ৰকল্পই ৰাজ্যৰ উত্তৰ-পূৰ্বাঞ্চলৰ যাতায়াত আৰু পৰিবহণ ব্যৱস্থা শক্তিশালী কৰি তুলিব। এই প্ৰকল্পই ৰাজ্যৰ ৫০ হাজাৰৰো অধিক যুৱক-যুৱতীৰ বাবে কৰ্মসংস্থাপনৰ পথ প্ৰশস্ত কৰিব। একেদৰে ২৫ কোটি ডলাৰেৰে ৰূপায়ণ কৰিবলগীয়া অসম বিদ্যালয় শিক্ষা আৰু কিশোৰ কল্যাণ প্ৰকল্পৰ অধীনত ৰাজ্যৰ প্ৰাথমিক বিদ্যালয়ৰ ২০ লাখ ছাত্ৰ-ছাত্ৰীৰ ফলাফল উন্নত কৰাত সহায় কৰিব আৰু ১০ৰ পৰা ১৯ বছৰ বয়সৰ অন্য ২০ লাখ যুৱক-যুৱতীৰ কৰ্মসংস্থাপনৰ বাবে প্ৰয়োজনীয় প্ৰশিক্ষণ প্ৰদানৰ ব্যৱস্থা কৰা হ’ব। ৮ কোটি ডলাৰেৰে কাৰ্যকৰী কৰিবলগীয়া অসম প্ৰশাসন আৰু সেৱা প্ৰদান কাৰ্যসূচীয়ে আৱণ্টন আৰু ৰাজহুৱা সম্পদৰ ব্যয়, প্ৰশাসনিক সেৱা প্ৰদান প্ৰক্ৰিয়া আৰু ডাটাপ্ৰণালীকে ধৰি ৰাজহুৱা বিত্তীয় ব্যৱস্থা শক্তিশালী কৰি তুলিব।

০০০০০০

অহা ২৬ জানুৱাৰীত নতুন দিল্লীৰ কৰ্তব্যপথত হ’বলগীয়া ৭৭ সংখ্যক গণৰাজ্য দিৱসৰ কুচকাৱাজত ভাগ ল’বলগীয়া অসমৰ প্ৰতীকপটযোগে ধুবুৰী জিলাৰ আশাৰীকান্দি গাঁৱৰ পোৰা মাটিৰ শিল্প প্ৰদৰ্শন কৰা হ’ব। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা মতে আত্মনিৰ্ভৰ ভাৰত বিষয়বস্তুৰে সাজি উলিওৱা এই প্ৰতীকপটৰ জৰিয়তে আশাৰীকান্দি শিল্পীসকলৰ দৈনন্দিন জীৱন, তেওঁলোকৰ আহিলাপাতি কেঁচা সামগ্ৰী আৰু উৎপাদিত সামগ্ৰীৰ লগতে ৰাজ্যৰ গ্ৰামাঞ্চলৰ সৈতে জড়িত সাংস্কৃতিক উপাদানসমূহ প্ৰদৰ্শন কৰা হ’ব। এই প্ৰতীকপটৰ বাবে আনুমানিক ৪৫ৰ পৰা ৫০ লাখ টকা ধাৰ্য কৰা হৈছে। উল্লেখযোগ্য যে ধুবুৰীৰ দেৱীতোলা উন্নয়ন খণ্ডৰ অন্তৰ্গত আশাৰীকান্দি নামৰ সৰু গাঁওখন মৃৎ শিল্পৰ বাবে বিখ্যাত।

০০০০০০

আজিৰে পৰা তিনি দিনীয়া কাৰ্যসূচীৰে বিশ্বনাথ জিলাৰ মঘাই ওজা বিহুতলীত শ্ৰীমন্ত শংকৰদেৱ নামধৰ্ম সমাজৰ পঞ্চাদশ ৰাজ্যিক অধিৱেশন আৰম্ভ হৈছে। এই অধিৱেশনৰ বাবে কালি গুৰুআসন প্ৰতিষ্ঠা কৰা হয়। অধিৱেশনত প্ৰতিদিনেই ২২ হাজাৰ ভকত-বৈষ্ণৱে অংশগ্ৰহণ কৰিব বুলি আদৰণি সমিতিয়ে জানিবলৈ দিছে। অধিৱেশন সূচাৰুৰূপে অনুষ্ঠিত কৰিবলৈ ১৭ খন উপ-সমিতিৰ বিষয়ববীয়াই দিনে-নিশাই ব্যস্ত হৈ আছে। আজি দিনত এই অধিৱেশনৰ প্ৰতিনিধি শিবিৰ মুকলি কৰা হ'ব। কাইলৈ প্ৰতিনিধি সভাৰ লগতে কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হ'ব। পৰহিলৈ পুৱা ভাগৰত শোভাযাত্ৰাৰ লগতে মুকলি সভাও অনুষ্ঠিত কৰা হ'ব। অধিৱেশন উপলক্ষে ভাওনা প্ৰদৰ্শন, স্মৃতি গ্ৰন্থ উন্মোচনৰ লগতে বহুতো কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। বিভিন্ন জিলাৰ পৰা বহু প্ৰতিনিধি ইতিমধ্যে বিশ্বনাথৰ এই অধিৱেশন স্থলীত উপস্থিত হৈছে।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ মৃত্যুৰ দিন অৰ্থাৎ শিল্পী দিৱস উপলক্ষে কাইলৈ বিশেষ অনুষ্ঠানৰ আয়োজন কৰিছে। কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ পৰা বাতৰি বিভাগৰ বাতৰি পঢ়োতা, বাতৰি সম্পাদক, ডিটিপি কৰ্মচাৰী আৰু সহায়কসকলে জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীত, কবিতা আৰু নাটকৰ সংলাপ পৰিৱেশন কৰিব। এই অনুষ্ঠান আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ মহাবাহু শাখাৰ লগতে বাতৰি বিভাগৰ ফেচবুক পেজ আৰু ইউটিউব চেনেলযোগে পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। ফে'চবুক আৰু ইউটিউবত অনুষ্ঠানটো বিৰতিবিহীনভাৱে প্ৰচাৰিত হ'ব। অনুষ্ঠানটোৰ নিৰ্বাচিত অংশ ১৮ জানুৱাৰী দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটত মহাবাহু চেনেলযোগে প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানটোৰ পৰিকল্পনা আৰু পৰিচালনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

যোৰহাট জিলাৰ ঢেকীয়াখোৱা বৰ নামঘৰত সদৌ অসম ভিত্তিত কালিৰে পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে ভাওনা প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। এই প্ৰতিযোগিতাত অসমৰ বিভিন্ন প্ৰান্তৰ ১০ খন ভাওনা অনুষ্ঠিত হ'ব। অহা ১৯ জানুৱাৰীত সামৰণি পৰিবলগীয়া এই প্ৰতিযোগিতাৰ কালি প্ৰথমখন ভাওনা **মৎস্য বিজয়** গোলাঘাট জিলাৰ বৰখেৰীয়াৰ অনন্ত বিজয় শিল্পী সমাজে প্ৰদৰ্শন কৰে।

০০০০০০

ডিব্ৰুগড় জিলাৰ বৰবৰুৱা থানাৰ অন্তৰ্গত কোটোহা বালিগাঁও পথাৰত কালিৰে পৰা এটা বনৰীয়া মহে মুক্ত বিচৰণ কৰি আছে। এই বনৰীয়া মহটোৱে বিচৰণ কৰি থকাৰ ফলত স্থানীয় ৰাইজ আতংকিত হৈ পৰিছে। মহটো মধুপুৰ বনাঞ্চলৰ পৰা ওলাই অহা বুলি স্থানীয় ৰাইজে সন্দেহ প্ৰকাশ কৰিছে। বন বিভাগে মহটোক নিৰাপদে পুনৰ বনাঞ্চললৈ খেদি পঠিওৱাৰ চেষ্টা অব্যাহত আছে।

০০০০০০

ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগে অলিম্পিক খেলুৱৈসকলক প্ৰশিক্ষণ দিয়া দেশৰ বিখ্যাত সংস্থা ইনস্পায়াৰ ক্ৰীড়া প্ৰতিষ্ঠানৰ সহযোগত গুৱাহাটীত এটা অত্যাধুনিক ছেটেলাইট ক্ৰীড়া কেন্দ্ৰ নিৰ্মাণৰ পৰিকল্পনা গ্ৰহণ কৰিছে। ৰাজ্যৰ প্ৰতিভাবান যুৱ খেলুৱৈসকলক উন্নত তথা আধুনিক ক্ৰীড়া প্ৰশিক্ষণ প্ৰদানৰ উদ্দেশ্যে এই পদক্ষেপ লোৱা হৈছে। ক্ৰীড়া বিভাগ আৰু ইনস্পায়াৰ প্ৰতিষ্ঠানৰ যৌথ উদ্যোগত পৰিচালিত এই কেন্দ্ৰৰ জৰিয়তে প্ৰথম পৰ্যায়ত এথলেটিকছ, আৰ্চাৰী, টাইকোৱাণ্ডো, টেবুল টেনিছ, লন টেনিছ, দবা আৰু সাঁতোৰৰ শিবিৰৰ আয়োজন কৰা হৈছে। দবা খেলেৰে আজি আৰম্ভ হ'বলগীয়া এই শিবিৰত দেশৰ অলিম্পিক কাৰ্যসূচী অনুযায়ী দীৰ্ঘম্যাদী প্ৰশিক্ষণ ব্যৱস্থাত গুৰুত্ব আৰোপ কৰি প্ৰদৰ্শনৰ ভিত্তিত খেলুৱৈ চিনাক্তকৰণ আৰু প্ৰশিক্ষকৰ বিকাশৰ বাবে কাম কৰা হ'ব।

০০০০০০

আই চি চি ১৯ বছৰ অনুৰ্ধ পুৰুষ ক্ৰিকেট বিশ্বকাপ ২০২৬ৰ উদ্বোধনী খেলত ভাৰতে আমেৰিকাক ৬ উইকেটত পৰাস্ত কৰিছে। জিম্বাবুৱেৰ বুলাৱায়োৰ কুইন্স স্প'ৰ্টছ ক্লাবত অনুষ্ঠিত খেলখনত প্ৰথমে বেটিঙৰ বাবে আমন্ত্ৰণ লাভ কৰা আমেৰিকাই ৩৫ অ'ভাৰ আৰু দুটা বলত মাত্ৰ ১০৭ ৰানতে আটাইকেইটা উইকেট হেৰুৱায়। ভাৰতৰ হেনিল পেটেলে ৫টা উইকেট দখল কৰে। প্ৰত্যুত্তৰত ভাৰতে আৰম্ভণিতেই বৈভৱ সূৰ্যবংশীৰ উইকেট হেৰুৱায় যদিও বৰষুণৰ বাবে খেলখন ৩৭ অভাৰলৈ হ্ৰাস কৰা হয়। পাছলৈ ৯৬ ৰানৰ সংশোধিত লক্ষ্য ভাৰতে সহজেই অতিক্ৰম কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হেনিল পেটেলক প্লেয়াৰ অৱ দ্য মেচৰূপে নিৰ্বাচিত কৰা হয়। কাইলৈ একেটা স্থানতে গ্ৰুপ এৰ দ্বিতীয়খন খেলত ভাৰত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

oooooo

মঙলদৈৰ নিউ কলনিৰ সৰবৰহী মহিলা লাৱণ্য চৌধুৰীৰ আজি পুৱতি নিশা বাৰ্ধক্যজনিত কাৰণত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯২ বছৰ। চপাইৰ মৌজাদাৰ পৰিয়ালৰ বোৱাৰী তথা মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ লোহিত চন্দ্ৰ চৌধুৰীৰ পত্নী লাৱণ্য চৌধুৰীৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

oooooo

News Papre REV/16-1-26

বিশিষ্ট চিন্তাবিদ, সাংবাদিক প্ৰদীপ বৰুৱা আৰু প্ৰথিতযশা কণ্ঠশিল্পী সমৰ হাজৰিকাৰ বিয়োগ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আসন্ন অসম ভ্ৰমণ, অসমলৈ বিশ্ববেংকৰ ৬৮০ নিযুত মাৰ্কিন ডলাৰৰ ঋণ, শিল্পী জুবিন গাৰ্গৰ মৃত্যু গোচৰৰ ছিংগাপুৰত আৰম্ভ হোৱা শুনানিকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাককতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

বিশিষ্ট লেখক, সাহিত্যিক-সাংবাদিক প্ৰদীপ বৰুৱাৰ যোৱা বুধবাৰে দেহাৱসান ঘটাৰ বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে 'প্ৰান্তিক আলোচনীৰে গঢ়িলে এটা স্বৰ্ণিল যুগ - চিন্তাৰ জগতত নতুনৰ বাট কাটি গ'লগৈ প্ৰদীপ বৰুৱা' শিৰোনাম দিছে। বাতৰিটো ভিন ভিন শিৰোনামেৰে দি আছাম ট্ৰিবিউনকে ধৰি প্ৰতিখন কাকতৰে প্ৰথম পৃষ্ঠাত স্থান পাইছে।

বিশিষ্ট কণ্ঠশিল্পী, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ ভাতৃ সমৰ হাজৰিকাৰ বিয়োগৰ বাতৰিটোও আজি প্ৰায়কেইখন কাকতেই প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ছিংগাপুৰত শিল্পী জুবিন গাৰ্গৰ মৃত্যু গোচৰৰ শুনানি প্ৰক্ৰিয়াৰ আৰম্ভণি হৈছে। এই সম্পৰ্কীয় এটা বাতৰি 'আমাৰ অসম' কাকতে 'কৰনাৰ্ছ ক'ৰ্টৰ তথ্যই উদঙালে জুবিন মৃত্যুৰ নতুন

দিশ, অস্বাভাৱিক অৱস্থাত জুবিনক য়টত উঠিবলৈ দিছিল বন্ধুৱে' শিৰোনামেৰে প্ৰকাশ কৰিছে। দৈনিক অসমে বাতৰিটো "কৰ'নাৰ্ছ কোৰ্টত অত্যধিক সুৰাপান-লাইফ জেকেট নিপিন্ধাৰ কথা ক'লে ছিংগাপুৰ আৰক্ষীয়ে, জুবিনৰ মৃত্যুকলৈ বিস্ফোৰক তথ্য' শিৰোনামেৰে প্ৰকাশ কৰিছে। The Sentinel কাকতেও এই শুনানি প্ৰক্ৰিয়াৰ অগ্ৰগতি সম্পৰ্কীয় বাতৰি এটা প্ৰথম পৃষ্ঠাত স্থান দিছে।

অসমলৈ আন্তঃগাথনি, বিদ্যালয় শিক্ষাৰ মান বৃদ্ধি, শাসন ব্যৱস্থা শক্তিশালীকৰণৰ বাবে বিশ্ববেংকে ৬৮০ নিযুত মাৰ্কিন ডলাৰৰ ঋণ মঞ্জুৰ কৰাৰ বাতৰি এটা দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

কেইবাটাও উন্নয়নমূলক কাৰ্যসূচী লৈ ১৭ জানুৱাৰীত অৰ্থাৎ কাইলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অসম ভ্ৰমণলৈ আহিবলগীয়াৰ বাতৰি একোটা  অসমীয়া খবৰকে ধৰি কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।নিয়মীয়া বাৰ্তা কাকতে 'ভোট ভাইবৰ সমীক্ষাৰ তথ্য - ৬৬.৭৫ শতাংশ হিন্দুৱে মুখ্যমন্ত্ৰী হিচাপে বিচাৰে ড° হিমন্ত বিশ্ব শৰ্মা'ক শীৰ্ষক এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত ঘন কুঁৱলী পৰাৰ আৰু পাছলৈ বতৰ আংশিকভাৱে ডাৱৰীয়া হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মেঘালয়ত ডাঠ কুঁৱলী পৰাৰ লগতে নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে বতৰ শুকান আৰু অৰুণাচল প্ৰদেশৰ কিছু অংশত পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**